# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 21-06-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

শিৱসাগৰ জিলাৰ ভটিয়াপাৰত অ' এন জি চিৰ ৰীগৰ পৰা গেছ্ নিৰ্গমন ৰোধ কৰিবলৈ আজি দশম দিনাও চেষ্টা অব্যাহত আছে। আমেৰিকাৰ পৰা অহা তিনিজন বিশেষজ্ঞই কেপিং পদ্ধতি প্ৰয়োগেৰে গেছ্ নিৰ্গমন ৰোধ কৰিবলৈ নিৰন্তৰ চেষ্টা চলাই আছে। ইপিনে ফুকন নগৰত থকা এছ্ কে পেট্ৰ'ৰ মুখ্য কাৰ্যালয়ত বীৰ লাচিত সেনাৰ শিৱসাগৰ জিলা সমিতিয়ে প্ৰতিবাদ অব্যাহত ৰাখিছে। আজি প্ৰতিবাদস্থলীত উপস্থিত হৈ এছ্ কে পেট্ৰ'ৰ প্ৰতিনিধিৰ দলে বীৰ লাচিত সেনাৰ সৈতে আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। বীৰ লাচিত সেনাই আলোচনা স্বীকাৰ কৰি কেইবাটাও দাবী উত্থাপন কৰে। ১০০ শতাংশ অসমীয়া যুৱক-যুৱতীক মেধাৰ ভিত্তিত নিযুক্তি দিয়াৰ লগতে কৰ্মৰত অৱস্থাত মৃত্যু হোৱা বিশ্ব হাজৰিকাৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আৰু চাকৰি দিবলৈ বীৰ লাচিত সেনাই দাবী জনায়। এছ্ কে পেট্ৰ'ৰ প্ৰতিনিধিসকলে দাবীসমূহ কাৰ্যকৰী কৰাৰ আশ্বাস দিয়ে।

০০০০

এক বিশ্ব এক স্বাস্থ্য মূল মন্ত্ৰৰে আজি ভাৰতৰ লগতে বিশ্বৰ বহুকেইখন দেশত একাদশ আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। ৰাজ্যৰ বিভিন্ন স্থানতো আজি বিভিন্ন কাৰ্যসূচীৰে যোগ দিৱস  উদযাপন কৰাৰ বাতৰি আমালৈ আহি আছে।

**চৰাইদেউ জিলাত** জিলা প্ৰশাসন তথা ৰাষ্ট্ৰীয় আয়ুষ মিছন অসমৰ উদ্যোগত আয়োজন কৰা যোগ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। **বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম** প্ৰাঙ্গনত আজি ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগৰ গুৱাহাটী চক্ৰৰ উদ্যোগত যোগ দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি যোগাভ্যাস আৰু প্ৰাণায়ামৰ অনুশীলন কৰে।

যোৰহাট জিলাত আয়োজন কৰা যোগ দিৱসৰ কাৰ্যসূচীত আজি  জিলা আৰক্ষী অধীক্ষকক শ্বেতাংগ মিশ্ৰই উদ্বোধন কৰে। এই অনুষ্ঠানত জিলাখনৰ বহুকেইগৰাকী আৰক্ষী বিষয়াই যোগদান কৰে।

০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই আজি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। এই দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, পৰীক্ষা নিয়ন্ত্ৰক ইৰিঞ্জিত হাজৰিকাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বিশ্ববিদ্যালয়খনৰ প্ৰথমগৰাকী উপাচাৰ্য ড০ জয়প্ৰকাশ বাৰ্মাৰ কাৰ্যকাল শেষ হোৱাত ড০ হাজৰিকাক ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব দিয়া হৈছে।

০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতিৰ প্ৰতিনিধি দলে আজি যোৰহাট জিলাৰ লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্প, অসম কৃষি বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। সমিতিৰ অধ্যক্ষ তথা বিধায়ক নুৰুল হুদাৰ নেতৃত্বত যোৱা দলটোৱে যোৰহাট এ টি ৰোডত গছপুলি ৰোপণ কৰাৰ লগতে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। অধ্যক্ষ হুদাৰ লগতে সমিতিৰ সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা, কৰিমুদ্দিন বৰভূঞাসহ আন বিশেষজ্ঞসকলে আঁচনিৰ কাম-কাজ পৰিদৰ্শনৰ অন্তত যোৰহাট আৰ্ৱত ভৱনত এখন সভাত মিলিত হয়।

০০০০

ডিব্ৰুগড়ৰ মানকটাত আজি ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ অধীনত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জনজাতীয় লোকসকলক চৰকাৰী আঁচনিৰ বিভিন্ন সেৱা আগবঢ়োৱা হয়। তদুপৰি মহিলা আৰু শিশু কল্যাণৰ দিশত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, সংহত শিশু বিকাশ কেন্দ্ৰই আগবঢ়োৱা সেৱাৰ সুবিধা, টীকাকৰণ আদিৰ সুবিধাও সামৰি লোৱা হৈছে।

০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত কাইলৈৰ পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। কাইলৈ বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। পুনৰ ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। ইতিমধ্যে দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি দুৱাৰ মুকলি হোৱাৰ দুদিন অৰ্থাৎ ২৬ আৰু ২৭ জুনত ৫০১ টকাৰ বিশেষ টিকটৰ ব্যৱস্থা বন্ধ থাকিব। একেদৰে ভি আই পি, ভি ভি আই পিৰ বাবেও পাছৰ কোনো ব্যৱস্থা নাথাকিব। আনহাতে আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা উপস্থাপন কৰা হৈছে। আনহাতে আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। ইপিনে অম্বুবাচী মহাযোগৰ সময়ছোৱাত জোতা-চেণ্ডেল পৰিধান কৰি কামাখ্যা মন্দিৰলৈ নাযাবলৈ সকলোকে আৰক্ষী প্ৰশাসনে আহ্বান জনাইছে। উল্লেখযোগ্য যে পৰ্যটন বিভাগে কামৰূপ মহানগৰ জিলা প্ৰশাসনলৈ অম্বুবাচী মেলা আয়োজনৰ বাবে ৪ কোটি ৫৫ লাখ টকা আগবঢ়াইছে।

০০০০

যোৰহাট জিলাৰ চটাইত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এজন যুৱক আহত হয়। ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাটোত ৰাজা আলী নামৰ কাকজানৰ যুৱকজনৰ মৃত্যু হয়। ইপিনে ফিৰোজ আলী নামৰ আহত আনজন যুৱকক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। এখন ডাম্পাৰে চাৰিচকীয়া বাহনত সন্মুখৰ পৰা খুন্দিওৱাত এই দুৰ্ঘটনা সংঘটিত হয়।

০০০০

অসম চৰকাৰে বাণিজ্যিকভাৱে মটৰ চাইকেল, টেক্সী সেৱাত ব্যৱহাৰ কৰা দুচকীয়া বাহনৰ নম্বৰ প্লেট হালধীয়া কৰাৰ সিদ্ধান্ত গ্ৰহণৰ অংশ হিচাপে আজি অসমৰ প্ৰথমখন হালধীয়া নম্বৰপ্লেটৰ দুচকীয়া বাহনৰ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ৰ পৰা আজি নগাঁও জিলাৰ লাহৰিঘাটৰ সুমন চন্দ্ৰ বৰ্মনক অসমৰ প্ৰথমখন প্ৰমাণপত্ৰ দিয়া হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে বাণিজ্যিভাৱে মটৰ চাইকেল টেক্সী সেৱাত ব্যৱহাৰ কৰা দুচকীয়া বাহনৰ নম্বৰ প্লেট হালধীয়া কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০

সমাপ্ত